**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-05-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। ৫৬ দশমিক ৪-১ শতাংশ ভোটদানেৰে কালি পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন।

২। অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে বিভিন্ন জিলাত প্ৰস্তুতি অব্যাহত।

৩। মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছত কালি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কলা-সংস্কৃতিৰ প্ৰদৰ্শন।

৪। জাপান চৰকাৰৰ সংসদ ভৱনৰ অধ্যক্ষ তথা লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টীৰ সাংসদ ফুকুছিৰো নুৰাগা আৰু ৫ গৰাকী সাংসদৰ আজি অসম ভ্ৰমণ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি ছানৰাইজাৰ্ছ হায়দৰাবাদ ৩৮ ৰানত গুজৰাট টাইটানছৰ হাতত পৰাস্ত।

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ সম্পন্ন হয়। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৫৬ দশমিক ৪-১ শতাংশ ভোটদান সম্পন্ন হয়।

তিনিচুকীয়া জিলাত ৪৮ দশমিক ১-৪ শতাংশ, ডিব্ৰুগড়ত ৪৫ শতাংশ, চৰাইদেউত ৫০ দশমিক ৯-৪ শতাংশ, শিৱসাগৰত ৫৭ দশমিক ৭-২ শতাংশ, মাজুলীত ৬১ দশমিক ৬-৭ শতাংশ, যোৰহাটত ৫৭ শতাংশ, গোলাঘাটত ৫২ দশমিক ৫-১ শতাংশ, ধেমাজিত ৬২ দশমিক ১ শতাংশ, লখিমপুৰত ৬৬ দশমিক ৫ শতাংশ, শোণিতপুৰত ৫২ দশমিক ৫ শতাংশ আৰু বিশ্বনাথত ৫৬ দশমিক ৮-৯ শতাংশ ভোটদান সম্পন্ন হৈছে। আনহাতে বৰাক উপত্যকাৰ কাছাৰ জিলাত ৫৮ দশমিক ৫-৫ শতাংশ, হাইলাকান্দিত ৬০ দশমিক ১-০ শতাংশ আৰু শ্ৰীভূমি জিলাত ৬০ দশমিক ১-৫ শতাংশ ভোটদান সম্পন্ন হয়।

সামগ্ৰিকভাৱে ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে যদিও কোনো কোনো অঞ্চলত অৱশ্যে দুই-এটা বিক্ষিপ্ত হিংসাৰ ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। কাছাৰ জিলাৰ কাটিগৰাত ফুলবাৰী-তাৰিনীপুৰ গাঁও পঞ্চায়তৰ দুই নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰত দুষ্কৃতিকাৰীয়ে বুথ দখলৰ চেষ্টা চলায়। বুথ দখলৰ চেষ্টা চলোৱা লোকসকলক একাংশ লোকে বাধা দিবলৈ চেষ্টা কৰোতে মাৰপিটৰ ঘটনা সংঘটিত হয়। অৱশ্যে এই ঘটনাৰ খবৰ পাই কাটিগৰা আৰক্ষী থানাৰ এটা দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ডিমৌ বিধানসভা সমষ্টিৰ অন্তৰ্গত আঠাবাৰী গাঁও পঞ্চায়তৰ ৰাজমাই বাগান প্ৰাথমিক বিদ্যালয়তো বহু সংখ্যক ভোটদাতা ভোটদানৰ পৰা বিৰত থাকিবলগীয়া হয়। ইয়াৰ ফলত কেন্দ্ৰটোত এক হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি হয়।

ঢকুৱাখনা বিধানসভা সমষ্টিৰ একাংশ ভোটকেন্দ্ৰত ৰিগিঙৰ অভিযোগ উত্থাপিত হৈছে। ইপিনে ভোটাৰ তালিকাত থকা ব্যাপক বিসংগতিৰ ফলত গোলাঘাট জিলাৰ খুমতাই বিধানসভা সমষ্টিৰ ৪০ নম্বৰ শেনচোৱা পঞ্চায়তৰ দুটা ৱাৰ্ডৰ শতাধিক ভোটদাতা ভোটদানৰ পৰা বঞ্চিত হ'বলগীয়া হয়। নিৰ্বাচনৰ কামত গাফিলতি কৰাৰ অভিযোগত হাইলাকান্দিৰ ভোটগ্ৰহণ কেন্দ্ৰৰ চাৰি গৰাকী বিষয়াক নিলম্বন কৰা হৈছে। আৰক্ষীৰ শীৰ্ষ বিষয়াই এই নিলম্বিত বিষয়াকেইজনৰ জেৰা অব্যাহত ৰাখিছে।

ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত জেৰাই দীঘলিবাৰী গাঁও পঞ্চায়তটো চাৰি শতাধিক লোক ভোটদানৰ পৰা বঞ্চিত হোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। দুয়োটা পৰ্যায়ৰে ভোটগণনা অহা ১১ মে'ত সম্পন্ন হ'ব।

ooooooo

অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণৰ বাবে বিভিন্ন জিলা প্ৰশাসনে পূৰ্ণ গতিৰে প্ৰস্তুতি চলাই আছে। ৰাজনৈতিক দলসমূহেও নিজ নিজ প্ৰাৰ্থীৰ হৈ জনসাধাৰণৰ মন আকৰ্ষণৰ আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে। দ্বিতীয় পৰ্যায়ত ৭ মে'ত নিৰ্বাচন হ'বলগীয়া জিলাকেইখন হৈছে - কামৰূপ, কামৰূপ মহানগৰ, ধুবুৰী, দক্ষিণ শালমাৰা, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, হোজাই, মৰিগাঁও, নগাঁও আৰু দৰং জিলা।

গোৱালপাৰা জিলাত বিভিন্ন ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। এই সম্পৰ্কে আমাক জনাইছে আকাশবাণীৰ গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইনে -

(বাইট)

ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰিবলৈ দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ জিলা প্ৰশাসনে কালি প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলক তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰে। জিলাখনৰ হাটশিঙিমাৰী মহাবিদ্যালয়ত ১১২ টা প্ৰিজাইডিং আৰু পোলিং গোটক অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। আজি বিয়লিৰ ভিতৰত জিলাখনৰ মুঠ ৪০৬ টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ৪৪৮ টা প্ৰিজাইডিং আৰু পোলিং বিষয়াৰ গোটক তৃতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

বৰপেটা জিলা প্ৰশাসনেও দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখনত কালি ভোটগ্ৰহণকাৰী বিষয়াসকলৰ অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়।

ooooooo

ৰাজ্যিক নিৰ্বাচন আয়োগে মাজুলীৰ আঁহতগুৰি পঞ্চায়তৰ ৩ নম্বৰ কাঁচিকটা ৱাৰ্ডৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিছে। সেই অনুসৰি এই কেন্দ্ৰটোত কাইলৈ পুৱা চাৰে

৭ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ পুনৰ ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে কালি হৈ যোৱা ভোটগ্ৰহণত এই কেন্দ্ৰটোক বাদ দি মাজুলী জিলাত ৮০ দশমিক ০ - ২ শতাংশ ভোটদান হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০০০

এতিয়া শুনক ৱেভছ্‌ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ্‌ ২০২৫ত কালি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কলা-সংস্কৃতিৰ প্ৰদৰ্শন কৰা হয়। কালি এই সন্মিলনত মিচিং জনগোষ্ঠীৰ নৃত্য শিল্পীৰ দ্বাৰা পৰিৱেশিত পৰম্পৰাগত গুমৰাগ নৃত্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। অসমৰ পৰা মুম্বাইলৈ যোৱা শিল্পীসকলে গুমৰাগ নৃত্য পৰিৱেশন কৰাৰ উপৰি ত্ৰিপুৰাৰ ৰিয়াং জনগোষ্ঠীৰ নৃত্যশিল্পীসকলে হোজাগিৰি লোকনৃত্যও পৰিৱেশন কৰে। কালি ৱেভৰ মঞ্চত ৰিয়েলিটি শ্বো শাখাত **ফনকাৰছ বেণ্ডু**ক পুৰস্কাৰ প্ৰদান কৰা হয়। এই বেণ্ডত অসমৰ দুগৰাকী যুৱক নয়নজ্যোতি খাটনিয়াৰ সঞ্জয় বসুমতাৰীও আছে। উল্লেখযোগ্য যে কালি অনুষ্ঠিত ৱেভৰ মঞ্চত অভিনেতা আমিৰ খান, মিঠুন চক্ৰৱৰ্তী, পৰিচালক প্ৰসূন যোশী, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৱেভছ্‌ সন্মিলনত লাভ কৰা অভূতপূৰ্ব সঁহাৰিৰ প্ৰতি লক্ষ্য ৰাখি এই সন্মিলন পূৰ্বৰ দুবছৰৰ পৰিৱৰ্তে প্ৰতিবছৰে অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

কালি ৱেভছ্‌ত গ্ল'বেল মিডিয়া ডাইলগ ২০২৫ শীৰ্ষক এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকৰ অন্তত সদস্য ৰাষ্ট্ৰসমূহে ৱেভছ্‌ ঘোষণা পত্ৰও গ্ৰহণ কৰে। ইপিনে যোৱা বৃহস্পতিবাৰে সন্ধিয়া ৱেভছ্‌ত উত্তৰ-পূব ভাৰতত চলচ্চিত্ৰৰ প্ৰত্যাহ্বান আৰু সম্ভাৱনা শীৰ্ষক এখন মনোজ্ঞ আলোচনা অনুষ্ঠিত হয়। বিশিষ্ট ছবি পৰিচালক তথা নিৰ্মাতা জাহ্নু বৰুৱাৰ লগতে ৰবি শৰ্মা, যতীন বৰা আৰু আইমী বৰুৱা উপস্থিত থাকে। আলোচনাত অংশ লোৱা ব্যক্তিসকলে উত্তৰ-পূৰ্বাঞ্চলৰ ছবি জগতখনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কৰিবলগীয়া বহু কাম আছে বুলি প্ৰকাশ কৰে।

এই ৱেভ সন্মিলনৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই সন্মিলনত অংশগ্ৰহণ কৰা অসমৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে তেওঁলোকৰ মন্তব্য আগবঢ়াব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

**(মনতাজ)**

০০০০০০০

জাপান চৰকাৰৰ সংসদ ভৱনৰ অধ্যক্ষ তথা লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিৰ সাংসদ ফুকুছিৰো নুৰাগা আৰু ৫ গৰাকী সাংসদৰ সৈতে তিনি দিনীয়া ভ্ৰমণসূচীপে আজি অসমলৈ আহিব। আজি সন্ধিয়া জাপানৰ দলটোৱে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিব। কাইলৈ পুৱাই প্ৰতিনিধি দলটো উত্তৰ গুৱাহাটীত অৱস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত উপস্থিত হ'ব। এই সম্পৰ্কে আমাৰ আকাশবাণীৰ সংবাদদাতা কৌশিক দাসে এইদৰে কয়–

***(বাইট ঃ কৌশিক দাস)***

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল কৰ্তৃপক্ষৰ উদ্যোগত আৰু আজিম প্ৰেমজী বিশ্ববিদ্যালয়, বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন আৰণ্যক, কৰবেট ফাউণ্ডেশ্যন, নেচনেল বুক ট্ৰাষ্ট অফ ইণ্ডিয়া , বিশ্ব প্ৰকৃতি নিধি চমুকৈ ডব্লিউ ডব্লিউ এফৰ সহযোগত কাজিৰঙাৰ কহঁৰাত অৱস্থিত পৰমানন্দ লাহন প্ৰেক্ষাগৃহত তিনিদিনীয়া কাৰ্যসূচীৰে কালি প্ৰকৃতি সম্পৰ্কে লিখা এখন কৰ্মশালা আৰম্ভ হয়। ৪ মেলৈকে অনুষ্ঠিত হবলগীয়া এই কৰ্মশালা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক সোণালী ঘোষে আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। বনকৰ্মী গীতাঞ্জলি কলিতাই আত ধৰা কৰ্মশালাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া বোকাখাত , দেৰগাঁও, তেজপুৰ, বিশ্বনাথ, কলিয়াবৰকে আদি কৰি বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ প্ৰায় অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰীক প্ৰকৃতি সম্পৰ্কে লিখাৰ পদ্ধতি , চিত্ৰ প্ৰস্তুত আদি সম্পৰ্কে তথ্য আৰু লেখ চিত্ৰৰ দ্বাৰা বিভিন্ন উপস্থাপনৰ প্ৰশিক্ষণ আগবঢ়োৱা হয়।

০০০০০০০

অসমত আবৃত্তিৰ ধাৰা শীৰ্যক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগীতাৰ কালি নিশা আহমেদাবাদত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৩৮ ৰানত পৰাস্ত কৰে। খেলখনত গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২২৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক শুভমন গিলে ৩৮টা বলত ৭৬ ৰান আৰু জোছ বাটলাৰে ৩৭টা বলত ৬৪ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ জয়দেৱ উনাদকাটে তিনিটা আৰু পেট কামিন্স আৰু জীশন আনছাৰীয়ে এটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত অভাৰত ৬টা উইকেট হেৰুৱাই ১৮৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। হায়দৰাবাদৰ হৈ অভিযেক শৰ্মাই ৪১টা বলত ৭৪ ৰান সংগ্ৰহ কৰে। গুজৰাট টাইটানছৰ প্ৰসিদ্ধ কৃষ্ণই মাত্ৰ ১৯ ৰান দি ২টা উইকেট দখল কৰি মেন অব দা মেচ খিতাপ দখল কৰে। আজি

বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ০৭:৩০ বজাত আৰম্ভ হ'ব।

০০০০০০০

ৰাজ্যত কালি পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হয়। ১৪খন জিলাত ৭৭শতাংশ লোকে ভোটাধিকাৰ সাব্যস্ত কৰে যদিও শ্ৰীভূমি , মাজুলীকে ধৰি ঠায়ে ঠায়ে কেবাটাও বিক্ষিপ্ত ঘটনা সংঘটিত হয় । এই বাতৰিটোক **আমাৰ অসম, দৈনিক অগ্ৰদূত, দৈনিক অসম, দৈনিক জনমভূমি**ৰ লগতে প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। ইফালে , নলবাৰীত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ যোৰহাটৰ সাংসদ গৌৰৱ গগৈ ব্যাপক প্ৰতিবাদৰ সন্মুখীন হোৱা বাতৰিটোক **অসমীয়া প্ৰতিদিন** কাকতৰ লগতে প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰত আৰু পাকিস্তানৰ মাজত সাম্ভাব্য যুদ্ধক লৈ উত্তেজনা অব্যাহত থকাৰ মাজতে বাংলাদেশে যুদ্ধ হলে পাকিস্তানৰ পক্ষত থকাৰ কথা ঘোষণা কৰিছে। এই বাতৰিটোক **অসমীয়া খবৰ, আমাৰ অসম** কাকতে গুৰুত্বসহকাৰে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে। ইফালে ভাৰতীয় সেনাবাহিনীয়ে বাংলাদেশ সীমান্তৰ স্পৰ্শকাতৰ এলেকাসমূহত নিয়মীয়া তালাচী বৃদ্ধি কৰাৰ এটা বাতৰি THE ASSAM TRIBUNEকাকতে প্ৰকাশ কৰিছে। মানাহ ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীয়ে তিনিটা হাতী হত্যা কৰাৰ এটা বাতৰি THE TIMES OF INDIAআৰু THE SENTINALকাকতত প্ৰকাশ কৰা হৈছে। ইফালে প ঞ্চায়ত নিৰ্বাচনৰ বাবে ধাৰাবাহিক প্ৰচাৰ অভিযান অব্যাহত ৰখা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পাকিস্তানক সমৰ্থন কৰাসকলক কোনোপধ্যেই ৰেহাই দিয়া নহব বুলি সকিয়নী প্ৰদান কৰা বাতৰিটোৰেও প্ৰায়কেইখন কাকততেই ভিন ভিন শিৰোনামেৰে মুখ্যপৃষ্ঠাত স্থান লাভ কৰিছে।

০০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

ইপিনে, অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত অহা ৪-৫ দিনলৈ বৰষুণ দিয়াৰ সম্ভাৱনা আছে। কোনো কোনো অঞ্চলত ধুমুহা আৰু বিজুলী-ঢেৰেকণিৰে মুষলধাৰ বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**